জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৪৯/২০২২

# অসম বায়’টেক পাৰ্কত টেকন’লজি ইনকিউবেচন চেণ্টাৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসম বায়’টেক নীতি ২০২২-২৭ মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

## অৰ্থনীতি আৰু পৰিস্থিতি তন্ত্ৰৰ মাজত ভাৰসাম্য ৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ মে’ ঃ** আমিনগাঁৱৰ অসম বায়’টেকপাৰ্কত আজি কেন্দ্ৰীয় শিক্ষা, দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টেকন’লজি ইনকিউবেচন চেণ্টাৰ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে বায়’ টেকপাৰ্কৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত তিনিদিনীয়া অসম বায়’ টেক সন্মিলন ২০২২ ৰ উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে ‘শ্যামলীমা কামৰূপ’ নামৰ কামৰূপ জিলাত এক ব্যাপক বৃক্ষ ৰোপন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীৰ অধীনত জিলাখনত ৩ লাখ গছ পুলি ৰোপন কৰি সেউজ আৱৰণ বৃদ্ধি কৰা হ’ব।

একেটা কাৰ্যসূচীতে যুৱ উদ্ভাৱনী বঁটা আৰু জীৱন জোৰা প্ৰাপ্তি বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে বিজ্ঞানী আৰু অভিনৱ মনৰ অসাধাৰণ অৱদানৰ স্বীকৃতি দিবলৈ অসম চৰকাৰে ২০১৭ চনৰ পৰা ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান কৰি আহিছে।

মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সিদ্ধাৰ্থ অৰোড়াক শ্ৰেষ্ঠ যুৱ উদ্ভাৱনী উদ্যমী বঁটা, ড° অনন্যা বৰ্মনক শ্ৰেষ্ঠ যুৱ মহিলা উদ্যোগী বঁটা আৰু কৌস্তৱ গোপাল গোস্বামীক উত্তৰ-পূব শ্ৰেষ্ঠ যুৱ উদ্ভাৱনী উদ্যমী বঁটা প্ৰদান কৰে। তদুপৰি ২০২০ বৰ্ষৰ জীৱন জোৰা প্ৰাপ্তি বঁটা ড° জয়ন্তী চুতীয়া, যুৱ বিজ্ঞানী বঁটা ড° হেমেন কলিতা আৰু প্ৰতিষ্ঠানিক বঁটা ইনষ্টিটিউট অৱ এডভান্স ষ্টাডি ইন চাইন্স এণ্ড টেকন’লজিলৈ আগবঢ়োৱা হয়। ২০২১ বৰ্ষৰ বাবে জীৱন জোৰা প্ৰাপ্তি বঁটা প্ৰয়াত অধ্যাপক ধীৰাজ বৰা আৰু যুৱ বিজ্ঞানী বঁটা ড° ৰূপম গোস্বামীলৈ আগবঢ়োৱা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম বায়’টেক পাৰ্কত টেকন’লজি

ইনকিউবেচন চেণ্টাৰ উদ্বোধন কৰি তেওঁ অতিশয় আনন্দ অনুভৱ কৰিছে। ইয়ে ছাত্ৰ-ছাত্ৰী আৰু পেছাদাৰীসকলৰ মাজত তেওঁলোকৰ পাঠ্যক্ৰমৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা উদ্যমিতা সংস্কৃতিৰ প্ৰতি আগ্ৰহীসকলক উৎসাহিত কৰি এই ক্ষেত্ৰত আগুৱাই যোৱাৰ বাবে এক পৰিৱেশ নিৰ্মাণ কৰিব। তেওঁ লগতে কয় যে ইয়াৰ জৰিয়তে চাকৰি বিচৰাতকৈ চাকৰি প্ৰদানকাৰী উদ্যমিতা গোট হিচাপে এক সম্ভাৱনীয়তা কঢ়িয়াই আনিব। তেওঁ লগতে কয় যে এই উদ্যোগটোৱে ৰাজ্যখনত বহনক্ষম উন্নয়নৰ দিশত গতি সৃষ্টি কৰাৰ এক অনুঘটক হিচাপে কাম কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে অৰ্থনীতি আৰু পৰিৱেশ বিজ্ঞানৰ মাজত ভাৰসাম্য ৰক্ষাৰ বাবে যথেষ্ট গুৰুত্ব দিছে। কামৰূপ জিলাত আৰম্ভ কৰা 'শ্যামলীমা কামৰূপ' কাৰ্যসূচী সমগ্ৰ ৰাজ্যখনতে ব্যাপকভাৱে ৰূপায়ণ কৰা হ'ব, যাতে বহনক্ষম উন্নয়নৰ দিশত এটা সেউজ বাতাৱৰণৰ সূচনা কৰিব পৰা যায়।

এই অনুষ্ঠানৰ লগত সমাঞ্জস্য ৰাখি অসম বায়'টেক নীতি-২০২২-২৭ মুকলি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয় যে ৰাজ্য চৰকাৰে জৈৱ প্ৰযুক্তিৰ বিকাশৰ দিশত অগ্ৰাধিকাৰ প্ৰদান কৰিছে যাতে ভৱিষ্যতৰ উন্নয়নৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হয়। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰীৰ গতিশীল নেতৃত্বত ভাৰত চৰকাৰে জৈৱ বিজ্ঞান গৱেষণা, উদ্যোগীকৰণ আৰু ষ্টাৰ্ট আপ ভেঞ্চাৰৰ এক ইক'চিষ্টেম গঢ়ি তোলাৰ দিশত নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে।

তেওঁ কয় যে অসম বায়'টেক নীতিৰ লগত সংগতি ৰাখি ৰাজ্যত ষ্টাৰ্ট আপ এভিনিউ এক শক্তিশালী মঞ্চ গঢ়ি তোলাৰ বাবে অসম চৰকাৰে ষ্টাৰ্ড আপ নীতি প্ৰণয়ন কৰি মুকলি কৰিব। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক তেওঁৰ মন্ত্ৰণালয়ে আগবঢ়োৱা সহায়-সহযোগিতা আৰু তেওঁৰ উপস্থিতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসম চৰকাৰ আৰু আইআইটি, গুৱাহাটীৰ দৰে কেন্দ্ৰীয় প্ৰতিষ্ঠানৰ মাজত সহযোগিতামূলক উদ্যোগৰ জৰিয়তে ৰাজ্যখনে সফলতাৰ এক নতুন অধ্যায় সূচনা কৰিবলৈ সক্ষম হ'ল বুলি তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষা, দক্ষতা বিকাশ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তইও ভাষণ দিয়ে। আজিৰ এই অনুষ্ঠানত ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ কুইন ওজা, গুৱাহাটী আইআইটিৰ সঞ্চালক অধ্যাপক টি জি চিটাৰাম, কামৰূপ জিলাৰ উপায়ুক্ত তথা অসম বায়'টেক পাৰ্কৰ মুখ্যকাৰ্যবাহী বিষয়া প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**

**২০/০৫/২০২২**